**2025**

# ASSAMESE

( Regular Generic )

Paper : ASM–RG–6016

**( ছন্দ আৰু অলংকাৰ )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) শংকৰদেৱে 'গুণমালা' পুথিখন কি ছন্দত ৰচনা কৰিছিল ?

(খ) পদ বা পয়াৰ ছন্দ কেইমাত্ৰাযুক্ত ?

(গ) প্ৰাচীন বৈষ্ণৱ সাহিত্যত ব্যৱহৃত আটাইতকৈ দীঘল ছন্দটোৰ নাম কি ?

(ঘ) অলংকাৰ শাস্ত্ৰত 'অলম' শব্দৰ অৰ্থ কি ?

(ঙ) 'জগজন জীৱন অজন জনাৰ্দন' শাৰীটোত ব্যৱহৃত শব্দালংকাৰবিধৰ নাম কি ?

(চ) 'শ্লেষ' শব্দৰ অৰ্থ কি ?

(ছ) অসমীয়া ভাষাত ব্যৱহৃত এটা উপমাবাচক শব্দ লিখা।

(জ) 'পুনৰুক্তৱদাভাস' মানে কি?

(ঝ) সাদৃশ্যবশতঃ এটা বস্তুক আন এটা বস্তু বুলি কৰা ভুলৰ কাব্যিক বৰ্ণনাৰ পৰা ওপজা সৌন্দৰ্যই কি অলংকাৰ সৃষ্টি কৰে?

(ঞ) 'মন পথাৰ' ইয়াত কি অলংকাৰ পোৱা যায়?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) অসমীয়া সাহিত্যত ব্যৱহৃত কোন দুটা ছন্দক তীৰ্থনাথ শৰ্মাই ৰজা ছন্দ আৰু ৰাণী ছন্দ বুলিব পাৰি বুলি কৈছে?

(খ) ছন্দৰ আলোচনাত 'মাত্ৰা' শব্দটোৱে কিহক বুজায়?

(গ) সাদৃশ্যগৰ্ভ অলংকাৰত কেইটা অংগ থাকে? যি কোনো এটা অংগৰ নাম লিখা।

(ঘ) বক্ৰোক্তি অলংকাৰৰ প্ৰকাৰ দুটা কি কি?

(ঙ) 'মোৰ এই হিয়াখনি জেতুকা পাতৰ দৰে' ইয়াত উপমেয় আৰু উপমান কোনটো, লিখা।

৩। যি কোনো চাৰিটাৰ চমু টোকা লিখা : ৫×৪=২০

(ক) ৰূপক

(খ) ব্যাজস্তুতি

(গ) উৎপ্ৰেক্ষা

(ঘ) ঝুনা

(ঙ) দুলড়ী

(চ) ছবি

৪। (ক) অলংকাৰ কাক বোলে? কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

(খ) বিভিন্ন আলংকাৰিকৰ মতৰ আধাৰত কাব্যত অলংকাৰৰ স্থান মুখ্য নে গৌণ, বিচাৰ কৰা।

৫। (ক) অনুপ্ৰাস অলংকাৰৰ সংজ্ঞা লিখি ইয়াৰ শ্ৰেণীবিভাগৰ আলোচনা কৰা। ১০

*অথবা*

(খ) উপমা অলংকাৰ কাক বোলে? ই কেইপ্ৰকাৰৰ? যি কোনো দুটা প্ৰকাৰৰ বিষয়ে খৰচি মাৰি আলোচনা কৰা।

৬। (ক) যতি কাক বোলে? কি কি কাৰণত যতিৰ প্ৰয়োজন হয়? পৰ্ব, চৰণ আদিত যতিৰ ব্যৱহাৰৰ বিষয়ে উদাহৰণসহ আলোচনা কৰা। ১০

*অথবা*

(খ) নৱকান্ত বৰুৱাই অসমীয়া ছন্দৰ কেইটা ধাৰাৰ কথা 'অসমীয়া ছন্দ শিল্পৰ ভূমিকা' গ্ৰন্থত উল্লেখ কৰিছে? ধাৰাকেইটা কি কি? যি কোনো এটা ধাৰাৰ বিষয়ে আলোচনা কৰা।

৭। (ক) অসমীয়া কবিতাত মুক্তক ছন্দৰ প্ৰয়োগ সম্পৰ্কে এটি নিবন্ধ লিখা। ১০

*অথবা*

(খ) অসমীয়া পুৰণি সাহিত্যত ব্যৱহৃত পদ আৰু পদ-জাতীয় ছন্দকেইটাৰ চমু পৰিচয় দিয়া।

★★★